দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.janambhumi.in … www.dainikjanambhumi.co.in … Dainik Janambhumi

চাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত
যোগ্য যে দুবছৰৰ পূৰ্বে অনন্ত মৰাণ
ূত হৈছিল। দুবছৰ আগে ঘৰ জ্বলি
কটু গোটাই পুনৰ ঘৰখন ঠন ধৰিবলৈ
ীভূত হোৱাত খেতিয়কজন একেবাৰে
ন চৰকাৰৰ সহায় কামনা কৰিছে।

## …াৰিয়াললৈ …সহায়ৰ হাত

…ব্ৰুৱাৰী ঃ মাৰ্ঘেৰিটা বিধায়কৰ ফেনছ
…টি দৰিদ্ৰ পৰিয়ালক খোৱা খাদ্য, গৰম
…দান কৰিছিল কিছুদিনৰ আগতে। উক্ত
…টোৰ ঘৰত বিজুলী সংযোগ কৰি দিয়াৰ
… কথা ৰাখিলে বিধায়কৰ ফেনছ ক্লাৱে।
…জিলিকি উঠিল দুৰ্ভগীয়া পমিলা দাসৰ
…াকীৰ জুপুৰিটো বিজুলীৰ পোহৰেৰে
…বঢ়োৱাৰ বাবে স্থানীয় ৰাইজে বিধায়ক
…জ্যাতিষ ৰায় আৰু মাৰ্ঘেৰিটাৰ এগৰাকী
…নতা সীমান্ত মাধৱ কটকীক প্ৰশংসা কৰাৰ
…নুষ্ঠানতে জ্যোতিষ ৰায়ে মহিলাগৰাকীৰ
…ল্যাণ বিভাগৰ বিষয়াৰ সৈতে যোগাযোগ
…গ্ৰে সমাজ কল্যাণ বিভাগৰ লোক দুৰ্ভগীয়া
…লি সাংবাদিকৰ আগত জানিবলৈ দিয়ে।
…তিনিটি সন্তানৰ তিনিটাই জন্মগতভাৱে
… দিনা উপস্থিত থাকে মাকুম পথাৰ গাঁও
…ঞ্জন চৌধুৰী আৰু অংগনবাড়ী কৰ্মী তথা
…সদস্য সুধেনচা চাইকৌ।

# ডি এইচ এছ কানৈ মহাবিদ্যালয়ত 'আইডিয়া চেণ্টাৰ' মুকলি



**ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৪ ফেব্ৰুৱাৰী ঃ** 'চিন্তাৰ দৈন্যত ভোগা কোনো দেশ বা জাতি কেতিয়াও আগুৱাই যাব নোৱাৰে। চিন্তাই দেশ তথা জাতিৰ প্ৰগতিত সহায় কৰে।' ডি এইচ এছ কানৈ মহাবিদ্যালয়ত নবীন চন্দ্ৰ দত্ত সোঁৱৰণী নৱনিৰ্মিত 'আইডিয়া চেণ্টাৰ' মুকলি কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। তেওঁ কয়, তেনে চিন্তাৰ আধাৰতে নবীন চন্দ্ৰ দত্ত সোঁৱৰণী আইডিয়া চেণ্টাৰটি আজি ডি এইচ এছ কানৈ মহাবিদ্যালয় চৌহদত মুকলি কৰা হয়। কানৈ মহাবিদ্যালয়ত আজি মুকলি হোৱা এই আইডিয়া চেণ্টাৰে ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাৰ দৈন্য দূৰ কৰাত সহায় কৰিব বুলি উল্লেখ কৰি অধ্যক্ষ ড° শইকীয়াই প্ৰয়াত নবীন চন্দ্ৰ দত্তৰ পৰিয়ালৰ সমূহ সদস্যক এনে এটি মহান কৰ্মৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ নবীন চন্দ্ৰ দত্ত সোঁৱৰণীত তেওঁৰ সহধৰ্মিণী স্বৰ্ণলতা দত্তই আগবঢ়োৱা ৪.২৫ লাখ টকা ব্যয় সাপেক্ষ নৱনিৰ্মিত আইডিয়া চেণ্টাৰটোৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি সুযোগ্য পুত্ৰ ৰাজীৱ দত্তই কয় যে কানৈ মহাবিদ্যালয়খন তেওঁৰ পিতৃৰ কেৱল কৰ্মস্থলীয়েই নহয়, এই মহাবিদ্যালয়ত পৰিয়ালৰ সকলোৱে অধ্যয়ন কৰিছিল। তেওঁ লগতে কয়, প্ৰকৃতাৰ্থত কানৈ মহাবিদ্যালয়খন তেওঁলোকৰ পৰিয়ালৰ দৰে। তেওঁ পিতৃৰ নামত উৎসৰ্গিত এই আইডিয়া চেণ্টাৰটি কানৈ মহাবিদ্যালয়ত নিৰ্মাণ কৰিবলৈ পাই অতিশয় আনন্দিত হোৱাৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি মহাবিদ্যালয় পৰিয়ালৰ সমূহ সদস্যই এই ক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ কৰ্মচাৰী ভুৱনজ্যোতি বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত প্ৰয়াত নবীন চন্দ্ৰ দত্তৰ সুযোগ্য কন্যা তথা কানৈ মহাবিদ্যালয়ৰ একালৰ শ্ৰেষ্ঠা গায়িকা অংকিতা বৰকাকতীয়ে পিতৃক সুঁৱৰি দুআষাৰ কোৱাৰ লগতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি সুমধুৰ গীত পৰিৱেশন কৰে। অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক ড° অনন্ত কুমাৰ দত্ত, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° মৃদুল শৰ্মা, বিশিষ্ট নাট্যকাৰ অসীম শৰ্মা, বিশিষ্ট কবি মৃদুল শৰ্মাকেধৰি বহুকেইজন গণ্য-মান্য ব্যক্তি, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## তিনিঠেঙীয়া নুনি বাগিচাৰ দুৰৱস্থা

**লেঙেৰী ঃ নিজা প্ৰতিবেদক, ৪ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং সমষ্টিৰ লেঙেৰী মৌজাৰ তিনিঠেঙীয়া সমূহীয়া নুনি বাগিচাখনৰ অৱস্থা তেনেই জৰাজীৰ্ণ। আশী দশকত প্ৰতিষ্ঠা কৰা এই বাগিচাখনে স্থাপনৰ কেইটামান বৰ্ষলৈকে ৰাইজক সঠিকভাৱে উপকাৰ কৰাৰ পাছত বৰ্তমান বাগিচাখনে কোনোধৰণে উপকৃত কৰিবলৈ সক্ষম হোৱা নাই। প্ৰায় বিছ বিঘা মাটিৰে পৰিপূৰ্ণ বাগিচাখনৰ কৰ্মচাৰীৰ আৱাস গৃহ,পলু পোহা ঘৰ,সূতা কটা ঘৰৰ লগতে ইয়াৰ সকলো ধৰণৰ যন্ত্ৰ-পাতি নিঃশেষ হোৱাৰ উপৰি নুনি গছসমূহ মৰি এৰা বাৰীলৈ পৰিণত হ'ব লাগিছে। নিবনুৱা যুৱক-যুৱতীৰ সংস্থাপনৰ পূৰ্ণ সম্ভাৱনা থকা এই বাগিচাখন পুনৰ কাৰ্যক্ষম কৰি তুলিবলৈ সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী বিমল বৰাক ৰাইজে দাবী জনাইছে।

Avail
GATTA…
Bel…
Rajamai…

SIGHT PLUS
WE CARE FOR YOUR EYES
Dr.
For…
Net…
Sen…
Guv…
Me…
Res…
Will b…
05th Febru…

…ith Confidence